জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৫১/২০২৩**

## বিকাশৰ বাবে এদিন কাৰ্যসূচীৰ অধীনত ৰঙিয়াত ৫৪৫.১৯ কোটি টকা ব্যয় সাপেক্ষে ২৩ টা আন্তঃগাঁথনিমূলক শিলন্যাস তথা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

### ৰাজ্যখনৰ দ্ৰুত বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

- **বাইহাটা চাৰিআলিৰ পৰা গোৰেশ্বৰলৈ এখন উৰণ সেতু নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে**
- **১৪ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে এইমছ্‌ৰ লগতে নলবাৰী চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰাৰ সম্ভাৱনা**
- **কৃষকৰ পৰা ধান ক্ৰয় কৰাৰ দৰে অসম চৰকাৰে কৃষকৰ পৰা ক্ৰয় কৰিব সৰিয়হ**

**দিছপুৰ, ২৬ মাৰ্চ ঃ** ৰঙিয়া মহকুমাৰ উন্নয়নত এক বিশেষ মাত্ৰা সংযোজনেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ‘বিকাশৰ বাবে এদিন’ কাৰ্যসূচীৰ অধীনত ৫৪৫.১৯ কোটি টকা ব্যয় সাপেক্ষে ২৩ টা আন্তঃগাঁথনিমূলক শিলন্যাস তথা শুভ উদ্বোধন কৰে।

আজি শিলন্যাস কৰা প্ৰকল্পসমূহ হ’ল ১৭.৯২ কোটি টকা ব্যয় সাপেক্ষে প্ৰস্তাৱিত সংহত মহকুমাধিপতিৰ কাৰ্যালয়, ১২.৬৬ কোটি টকা ব্যয় সাপেক্ষে আৰিমত্ত ক্ৰীড়াঙ্গনৰ ফুটবল খেলপথাৰ, গেলাৰী আৰু আভ্যন্তৰীণ ক্ৰীড়াঙ্গন নিৰ্মাণ, ১০.৪০ কোটি টকা ব্যয় সাপেক্ষে উত্তৰ-পূব ক্ষেত্ৰৰ প্ৰধানমন্ত্ৰী বিকাশ যোজনাৰ স্কুলক উৎকৃষ্ট কেন্দ্ৰলৈ পৰিৱৰ্তন আঁচনিৰ অধীনত ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নীতকৰণ, ৩ কোটি টকা ব্যয় সাপেক্ষে ৬০০ আসনযুক্ত কেন্দ্ৰীয় বাতানুকূল শ্ৰীমন্ত শংকৰদেৱ সভাগৃহ, ৫.২৭ কোটি টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভাতকুছিৰ পৰা গৰিয়াকোঠ হৈ দ্বাৰকুছিলৈ পথৰ উন্নীতকৰণ, ৬.৩৮ কোটি টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত চেপ্তি-কুলহাটী পথৰ উন্নীতকৰণ, ১৬৬.৫৮ কোটি টকা ব্যয় সাপেক্ষে অসম মালাৰ অধীনত কাউৰবাহাৰ পৰা নাগ্ৰীজুলিলৈ পকীপথৰ উন্নীতকৰণ, ২৮.১৪ কোটি টকা ব্যয় সাপেক্ষে বালাবাৰী পুঠিমাৰী মথাউৰি পুনঃপ্ৰতিষ্ঠা আৰু মেৰামতি, ৩৬.৬২ কোটি টকা ব্যয় সাপেক্ষেপুঠিমাৰী আৰ য বি মথাউৰিৰ পুনঃপ্ৰতিষ্ঠা আৰু বগৰিবাৰী আৰু ঢোলকুছি আৰ / এছ মথাউৰি মেৰামতি, ৪.৮৫ কোটি টকা ব্যয় সাপেক্ষে শুক্লাই এল / বি মথাউৰি আৰু নাথকুছি (বুনবাৰী) আৰ / এছ মথাউৰিৰ মেৰামতি, ২.৯৯ কোটি টকা ব্যয় সাপেক্ষে এছ ডি আৰ এফৰ অধীনত নাথকুছি (খৈৰাবাৰী )ত শুক্লাই নৈৰ আৰ / বি বান্ধৰ মেৰামতিৰ বাবে তাৎক্ষণিক পদক্ষেপ, ২.৯৯ কোটি টকা ব্যয় সাপেক্ষে এছ ডি আৰ এফৰ অধীনত টেঙাঝাৰত শুক্লাই নদীৰ এল / বি  পঞ্চায়ত বান্ধৰ মেৰামতিৰ বাবে তাৎক্ষণিক পদক্ষেপ, ৫৩.৮৮ কোটি টকা ব্যয় সাপেক্ষে বাইহাটা চাৰিআলি-গোৰেশ্বৰ পথৰ উন্নীতকৰণ, ৪৮.৭৩ কোটি টকা ব্যয় সাপেক্ষে ৰঙিয়া এছ কে-১২ ৰেল গেটত উৰণ সেতু ৫০ঃ৫০ শতাংশ ব্যয় অংশীদাৰিত্বৰ অধীনত নিৰ্মাণ আৰু ৫৩.৭৪ কোটি টকা ব্যয় সাপেক্ষে ৰঙিয়া এছ কে-১৪ ৰেল গেটত উৰণ সেতু

৫০ঃ৫০ শতাংশ ব্যয় অংশীদাৰিত্বৰ অধীনত নিৰ্মাণ। আনহাতে, ১৪ কোটি টকা ব্যয় সাপেক্ষে এছ অ' পি ডি ২০১৯-২০ ৰ অধীনত ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বৰলীয়া নৈ লৈ পুৰণি এন টি ৰোডৰ চাৰিলেন পৰ্যন্ত উন্নীতকৰণ, ৪.৫৩ কোটি টকা ব্যয় সাপেক্ষে ৰঙিয়া আদৰ্শ চিকিৎসালয় আই চি ইউ প্ৰৱৰ্তন, ১০ কোটি টকা ব্যয় সাপেক্ষে অসম চৰকাৰৰ উত্তৰণ আঁচনিৰ অধীনত ৰঙিয়া মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহাবিদ্যালয়লৈ উন্নীতকৰণ, ৪.৮৯ কোটি টকা ব্যয় সাপেক্ষে জয়ন্তীপুৰৰ পৰা কুমটীবাৰী বাথান পথলৈ ৰাস্তা আৰু মথাউৰী, ১.৪৯ কোটি টকা ব্যয় সাপেক্ষে মহাবীৰ লাচিত-চিলাৰায় সেতু নিৰ্মাণ আঁচনিৰ অধীনত গৰিয়াকোঠ লক্ষী মন্দিৰ পথত পকী দলং, ৫.৪০ কোটি টকা ব্যয় সাপেক্ষে মহাবীৰ লাচিত সেতু নিৰ্মাণ আঁচনিৰ অধীনত লাচি বিষ্ণুপুৰ গোপালপুৰ বাথান পথৰ পকী দলং, ১০ কোটি টকা ব্যয় সাপেক্ষে অসম চৰকাৰৰ উত্তৰণ আঁচনিৰ অধীনত উদিয়ানা বালিসত্ৰ পথৰ উন্নীতকৰণ আৰু ০.৩৩ কোটি টকা ব্যয় সাপেক্ষে ৰঙিয়া চহৰত চিচি টিভি কেমেৰা সংযোগ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে।

এই উপলক্ষে ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত বিশাল ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমৰ প্ৰতিটো প্ৰান্তৰে সম উন্নয়নৰ দিশত নিৰন্তৰ প্ৰয়াস চলাই আহিছে। ৰাজ্যখনত আজি বিকাশে এক নতুন মাত্ৰা লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে বিকাশৰ ধাৰা অব্যাহত ৰাখি ৰাজ্যখনক দেশৰ এখন উন্নত শাৰীৰ ৰাজ্যলৈ লৈ যাবলৈ অহোপুৰুষাৰ্থ কৰিছে। তেওঁ কয় যে ৰঙিয়াৰ এক গৌৰৱোজ্জ্বল ঐতিহ্য আছে। ৰাজ্যখনৰ অৰ্থনীতি, সংস্কৃতি আদি বিভিন্ন দিশত ৰঙিয়াই গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰঙিয়াৰ কৃষক বিদ্ৰোহ, হৰদত্ত-বীৰদত্তৰ শৌৰ্য-বীৰ্য, ৰজা আৰিমত্তৰ দেশপ্ৰেম আৰু ৰঙিয়া ব্যৱসায়-বাণিজ্য, শৈক্ষিক দিশেৰে আগুৱাই নিয়াৰ বাবে থকা সম্ভাৱনীয়তাসমূহৰ বিষয়েও আলোকপাত কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বাইহাটা চাৰিআলিৰ পৰা গোৰেশ্বৰলৈ এখন উৰণীয়া নিৰ্মাণ কৰা হ'ব যাতে যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী হৈ পৰে। অহা ১৪ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাংসাৰীত এইমছৰ লগতে নলবাৰী চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ দিশত সৰ্বাধিক গুৰুত্ব দিয়াৰ ফলত আজি প্ৰতিখন ৰাজ্যৰে উন্নয়নৰ গতি অধিক ত্বৰান্বিত হৈ উঠিছে। তেওঁ কয় যে অৰুণোদয় আঁচনিৰ অধীনত প্ৰদান কৰি থকা ধনৰাশিৰ পৰিমাণ ১৪০০ টকালৈ বৃদ্ধি কৰাৰ লগতে বৰ্তমানৰ ২৭ লাখ হিতাধিকাৰীৰ সৈতে আৰু ৮ লাখ পৰিয়ালক জড়িত কৰা হ'ব। তেওঁ লগতে কয় যে মহিলা আত্ম-সহায়ক গোটসমূহক ১০ হাজাৰ টকালৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে আত্ম সংস্থাপনৰ বাবে ২ লাখ যুৱক-যুৱতীক ৩টা কিস্তিত ২ লাখ টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্য চৰকাৰে পথ যোগাযোগ ব্যৱস্থা অধিক শক্তিশালীকৰণৰ বাবে প্ৰয়াস চলাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুনকৈ ৩ হাজাৰ পথ পকীকৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে কৃষকসকলৰ অৰ্থনৈতিক উত্তৰণৰ দিশত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। কৃষকৰ পৰা ধান ক্ৰয় কৰাৰ দৰে এইবাৰ অসম চৰকাৰে কৃষকৰ পৰা সৰিয়হ ক্ৰয় কৰিব। তেওঁ লগতে কয় যে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হোষ্টেলৰ মেছ ডিউছ, পাঠ্যপুথি, মোবিলিটি গ্ৰেণ্ট প্ৰদান

কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষানুষ্ঠানলৈ যাতায়াতৰ ব্যয় হিচাপে মাহত ১ হাজাৰ টকাকৈ প্ৰদান কৰাৰ পৰিকল্পনাৰ কথা ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰি আছে। তেওঁ কয় যে উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতিত ৰাজ্যজুৰি ছাত্ৰ দিৱস পালন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰেচন কাৰ্ড থকা  পৰিয়ালক আয়ুষ্মান ভাৰত, আয়ুষ্মান অসমৰ অধীনত ৫ লাখ টকাকৈ স্বাস্থ্য বীমা প্ৰদান কৰাৰ পৰিকল্পনাও ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী তথা পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, স্থানীয় বিধায়ক তথা হাউছফেডৰ অধ্যক্ষ ভৱেশ কলিতা, সাংসদসকল দিলীপ শইকীয়া, ভূৱনেশ্বৰ কলিতা আৰু পৱিত্ৰ মাৰ্ঘেৰিটা, বিধায়কদ্বয় সুমন হৰিপ্ৰিয়া আৰু দিগন্ত কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্ত্তি জল্লী আৰু অন্যান্য উচ্চপদস্থ বিষয়া, গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ আগতে মুখ্যমন্ত্ৰীয়ে ৰঙিয়াৰ ঐতিহাসিক হৰদত্ত-বীৰদত্ত ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৯৯ সংখ্যক ‘মন কি বাত’ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰত অংশগ্ৰহণ কৰে।

**হেংশঃ**
**২৬/৩/২০২৩**